## দ্বিতীয় অধ্যায়

# মাৰ্ক্সবাদ আৰু বিষ্ণুপ্ৰসাদ ৰাভা

বিষ্ণুপ্ৰসাদ ৰাভাই কলেজীয়া দিনৰ পৰাই ভাৰতৰ স্বাধীনতাৰ বাবে ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰিছিল। ৰাভাই স্বাধীনতা সংগ্ৰামত যোগ দিয়াৰ বাবে ইংৰাজৰ ৰোষত পৰি শিক্ষা অসম্পূৰ্ণ হৈ ৰ'ল। কলকাতাৰ ৰিপণ কলেজ, চেণ্ট পলছ কলেজ, কোচবিহাৰৰ ভিক্টোৰিয়া কলেজ, ৰংপুৰৰ কাৰমাইল কলেজত অধ্যয়ন কৰিছিল যদিও শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে। ১৯৩০ চনত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত ৰাভাই সক্ৰিয়ভাৱে যোগদান কৰিলে। মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ লগে লগে সশস্ত্ৰ হিংসাত্মক আন্দোলনে গা কৰি উঠে। বহুতো ছাত্ৰই হিংসাত্মক সশস্ত্ৰ আন্দোলনৰ সৈতে জড়িত হৈ পৰে। পুলিচে সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত থকা বুলি ৰাভাক বিভিন্ন প্ৰকাৰে হাৰাশাস্তি কৰিব ধৰিলে। নিজৰ নিৰাপত্তা আৰু পঢ়া-শুনাৰ বাবে অনুকূল পৰিৱেশৰ অভাৱ অনুভৱ কৰি কলেজ এৰাৰ সিদ্ধান্ত ল'লে আৰু কোচবিহাৰৰ ভিক্টোৰিয়া কলেজলৈ স্থানান্তৰিত হ'ল।

ভাৰতৰ স্বাধীনতা আন্দোলনে সমগ্ৰ দেশ কপাই তুলিলে। সত্যাগ্ৰহী মহাত্মা গান্ধীক বন্দী কৰি জেললৈ নিয়া হ'ল। আন্দোলনকাৰীৰ ওপৰত সীমাহীন অত্যাচাৰ চলিল। ৰাভাই ইংৰাজৰ অত্যাচাৰৰ প্ৰতিবাদ কৰি কোচবিহাৰৰ ৰাজভৱনৰ সমুখত ডাঙৰ ডাঙৰ আখৰেৰে নিৰ্ভয়ে লিখি থৈ আহিল —

"ৰাজ্যে আছে দুটি পাঠা।
একটি কালো একটি সাদা।।
ৰাজ্যেৰ যদি মংগল চাও।
দুইটি পাঠা বলি দাও।।

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ন)

ৰাভাই বগা পাঠা বুলি সেই সময়ৰ ইংৰাজৰ বিষয়া হাটকিন্সক আৰু কলা পাঠা বুলি ইংৰাজৰ গোলামী কৰা ভাৰতীয় মানুহখিনিক বুজাইছিল। কোচবিহাৰত উৰি থকা ইংৰাজৰ

পতাকা নমাই তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকা উত্তোলন কৰিলে। এই কাৰ্যৰ বাবে ইংৰাজৰ ৰোষত পৰি তেওঁ কোচবিহাৰৰ পৰা শিক্ষা অসম্পূৰ্ণ কৰি উভতি আহিবলগীয়া হ'ল।

ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ আগত ত্ৰিশ দশকৰ পৰা চল্লিছৰ দশকৰ ভিতৰত স্বাধীনতা আন্দোলনৰ লগত জড়িত বিভিন্ন দলবোৰৰ মাজত এক বিৰাট মতাদৰ্শগত পৰিৱৰ্তন দেখা গৈছিল। জাতীয়তাবাদী আৰু গান্ধীবাদী আদৰ্শৰ অন্তঃসাৰশূন্যতা আৰু অসফলতাই আন্দোলনকাৰীসকলক বিপ্লৱী, সমাজতান্ত্ৰিক মতবাদৰ প্ৰতি আকৰ্ষিত কৰে। 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ বিপ্লৱীসকলৰ নেতৃত্বত তেতিয়া সমগ্ৰ দেশজুৰি শ্ৰেণীসংগ্ৰামৰ জুই বিয়পি পৰিছিল। সেই সময়ত 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি', 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি', 'নিখিল ভাৰত কৃষক সভা', 'নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন', 'প্ৰগতিশীল শিল্পী সাহিত্যিক সংঘ' আৰু ফেচীবাদী বিৰোধী সংগঠনসমূহে এক বৈপ্লৱিক পৰিৱেশৰ সৃষ্টি কৰিছিল। কৃষকৰ সংগঠনসমূহে এক হৈ গাঁৱে গাঁৱে শ্ৰেণী সংগ্ৰামৰ পথ মুকলি কৰি তুলিছিল।

সেই সময়তে উত্তৰবংগত চলা তেভাগা আন্দোলনৰ সমান্তৰালভাৱে তেলেঙ্গানাৰ সশস্ত্ৰ কৃষক বিদ্ৰোহৰ ঘটনাই গোটেই ভাৰত জোকাৰি দিয়ে। তেলেঙ্গানাত কৃষক বিদ্ৰোহ দমনৰ নামত শাসকীয় চৰকাৰৰ দমনমূলক নীতিয়ে ভাৰতৰ স্বৈৰাতন্ত্ৰ চৰকাৰৰ শোষক ৰূপটোক প্ৰকট কৰি তুলিলে। বোম্বাইৰ (বৰ্তমান মুম্বাই) নাবিকসকলৰ বিদ্ৰোহ, আজাদ হিন্দ ফৌজৰ সেনানায়কসকলৰ বিচাৰ, ৰছিদ আলি দিৱস আদি ঘটনাই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ উত্তেজনা শ্ৰমিক, কৃষক আৰু সাধাৰণ জনগণৰ মাজত বোৱাই লৈ যায়। সমগ্ৰ দেশতে এক বৈপ্লৱিক পৰিস্থিতিৰ সৃষ্টি হয়। এই পৰিস্থিতিয়ে জনগণক জোগাই তোলে। অসমতো কমিউনিষ্ট বিপ্লৱৰ আদৰ্শ ৰাইজৰ মাজত বিয়পিবলৈ ধৰে। ছাত্ৰ আন্দোলনৰ মাজেদি সমাজতান্ত্ৰিক চিন্তাধাৰাই প্ৰসাৰ লাভ কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছ, মুছলিম লীগ, অসমৰ জাতীয় মহাসভা, হিন্দু মহাসভা আদিৰ নিজৰ মাজত ক্ষমতাকেন্দ্ৰিক অৰিয়াঅৰিৰ ফলত ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক শক্তিসমূহ বৃদ্ধি পাবলৈ ধৰে। অসমত কমিউনিষ্ট আন্দোলনে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিব ধৰিলে।

বিষ্ণু ৰাভাৰ সৈতে সৌমেন্দ্ৰনাথ ঠাকুৰৰ চিনাকি আগৰে পৰা আছিল। ১৯৩৮ চনত ঠাকুৰ গুৱাহাটীলৈ অহাত 'ৰেডিকেল ইনষ্টিটিউট' নামৰ বিপ্লৱী প্ৰগতিবাদী অনুষ্ঠানৰ জন্ম হয়। পৰৱৰ্তী সময়ত ইয়াৰ পৰাই কমিউনিষ্ট লীগৰ অসম শাখা আৰু 'কৃষক বনুৱাৰ পঞ্চায়ত' সংগঠিত কৰে।

পিছত সকলো প্ৰগতিশীল আৰু সাম্যবাদী আদৰ্শৰ লোকসকলে একত্ৰিত হৈ ‘ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি’ (R. C. P. I) গঠন কৰে। ‘ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি’য়ে বঙ্গ, অসম, নগা পাহাৰ আদি বিশাল অঞ্চলক সামৰি আৰ্থিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক বিষয়কলৈ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। দ্বিতীয় বিশ্বযুদ্ধত ছোভিয়েট ৰাছিয়াই অংশগ্ৰহণ কৰাত ৰাষ্ট্ৰনেতা ষ্টালিনে এই যুদ্ধক ‘গণযুদ্ধ’ বুলি ঘোষণা কৰে। ‘ভাৰতৰ কমিউনিষ্ট পাৰ্টি’য়েও এই যুদ্ধক ‘গণ-ৰণ’ (Peoples' war) আখ্যা দিয়ে আৰু ভাৰতীয় কংগ্ৰেছৰ অসহযোগ আন্দোলনক প্ৰবল ভাৱে বাধা দিয়ে।

ৰাভাৰ জীৱনত মাৰ্ক্সবাদী আদৰ্শৰ প্ৰভাৱ এদিনতে জীপ পাই উঠা নাছিল। কিহৰ তাগিদাত কি পৰিৱেশত আৰু কেনেদৰে তেওঁ মাৰ্ক্সবাদী আদৰ্শত দীক্ষিত হ’ল আৰু কমিউনিষ্ট পাৰ্টিত যোগদান কৰিলে, সেই বিষয়ে তেওঁৰ বৰপুত্ৰ পৃথ্বীৰাজ ৰাভাই আমাক ব্যক্তিগত আলাপত আদ্যোপান্ত বিৱৰি কৈছিল। তাৰে কিছু অংশ ইয়াত লিপিবদ্ধ কৰাতো উচিত হ’ব বুলি ভাবো।

“যুৱাৱস্থাত বিষ্ণু ৰাভাৰ এগৰাকী সংগিনী আছিল নিৰুপমা দেৱী। নিৰুপমা দেৱী সুগায়িকা, নৃত্যশিল্পী, অভিনেত্ৰী আছিল আৰু প্ৰতি ক্ষণতে ছাঁটোৰ দৰে কৈ তেওঁ বিষ্ণু ৰাভাক আৱৰি ৰাখিছিল। নীলাচল পাহাৰৰ দাঁতিত থকা দুৰ্গা সৰোবৰত নিৰুপমা দেৱীৰ ঘৰ। গায়িকা হেতুকে সংস্কৃতিসূত্ৰে তেওঁৰ বিষ্ণু ৰাভাৰ সৈতে পৰিচয় ঘটে আৰু লাহে লাহে দুয়ো এক গাঢ় সম্পৰ্কত বিলীন হৈ পৰে। সময়ৰ প্ৰবাহত বিষ্ণু ৰাভাও নিৰুপমা দেৱীৰ দুৰ্গা সৰোবৰস্থিত বাসভৱনত থাকিবলৈ ল’লে। তেওঁলোকৰ আৰ্থিক অৱস্থা আছিল অতিকৈ বিপৰ্যস্ত। পুত্ৰৰ ভাষাত ‘নিৰুপমা দেৱীয়ে মেখেলাখন খুলিলে বিষ্ণু ৰাভাৰ লুঙীখন আৰু বিষ্ণু ৰাভাই লুঙীখন খুলিলে নিৰুপমা দেৱীৰ মেখেলাখন পিন্ধিবলগীয়া অৱস্থা হয়।’ বিভিন্ন স্থানৰ মানুহে বিষ্ণু ৰাভাক সেই সময়ত ঘাইকৈ গায়ক, আবৃত্তিকাৰ, অভিনেতা আৰু নাট্যকাৰৰূপে জানিছিল।

পলাশবাৰীত হোৱা এখন কৃষক সভাত সেই সময়তে এগৰাকী উৰ্দুভাষী কৃষক নেতাৰ আগমন ঘটিল। ৰাষ্ট্ৰৰ শোষণ আৰু শোষিতৰ মুক্তিৰ হকে দিয়া তেওঁৰ বক্তৃতা আছিল তেজস্বী, কিন্তু উৰ্দু ভাষাত ব্যুৎপত্তি নথকা হেতুকে কোনো এজন অসমীয়া শ্ৰোতাৰ পক্ষে তাক হৃদয়ংগম কৰাতো সম্ভৱ নাছিল। ফলত প্ৰয়োজন হ’ল এগৰাকী দোভাষীৰ। বিষ্ণু ৰাভা সোতৰটা ভাষাত পাৰ্গত ব্যক্তি আছিল। তাৰে এটা আছিল উৰ্দু। তদুপৰি তেওঁ আছিল জনতাৰ হকে ন্যায়ৰ পক্ষত

থাকি নীতিনিষ্ঠতাৰে শোষণৰ বিৰুদ্ধে প্ৰতিবাদ কৰা এক বিপ্লৱী কণ্ঠ। হাজাৰ হাজাৰ কৃষকক ব্ৰজকণ্ঠৰে সেই ভাষণ ভাঙনি কৰি শুনোৱাৰ দায়িত্ব বিষ্ণুপ্ৰসাদৰ কান্ধত পৰিল। RCPI ৰ কৰ্মকৰ্তা গোবিন্দ কলিতা, উমাশংকৰ ভট্টাচাৰ্য, হৰেন কলিতা প্ৰমুখ্যে তদানীন্তন কমিউনিষ্ট সদস্যসকলে বিষ্ণু ৰাভাক এই দায়িত্ব দিলে আৰু পৰৱৰ্তী সময়ত নিৰুপমা দেৱীৰ ঘৰৰ চোতালতে বহি বিষ্ণু ৰাভাকো তেওঁলোকৰ দলত যোগদান কৰি সংগ্ৰামখনক শক্তিশালী কৰি তুলিবলৈ অনুৰোধ জনালে। পোনতে বিষ্ণু ৰাভাই হেহোঁনেহোঁ কৰিছিল যদিও পিছত এই প্ৰস্তাৱ তেওঁ মানি ল'লে আৰু RCPI ত যোগদান কৰি মাৰ্ক্সবাদী আদৰ্শত প্ৰৱেশ কৰিলে। কমিউনিষ্ট ভাবধাৰা ৰাভাৰ হৃদয়ত ইতিমধ্যে আছিলেই গোবিন্দ কলিতা, উমাশংকৰ ভট্টাচাৰ্য প্ৰভৃতি ব্যক্তিগণৰ উচ্ছাসে তেওঁক এইবেলি পুৰাপুৰিয়েই মাৰ্ক্সবাদী কৰি পেলালে। নিৰুপমা দেৱীৰ পোনতে বিষ্ণু ৰাভাৰ এই পদক্ষেপত সমৰ্থন নাছিল। তেওঁ বিচাৰিছিল ৰাভাৰ আন্দোলন সাংস্কৃতিক দিশেৰে পৰিচালিত হওক। তেওঁ ৰাভাক গায়ক, গীতিকাৰ, নাট্যকাৰ, সুৰকাৰ আদি ৰূপে সংস্কৃতিৰ সাধনা কৰিবলৈকে খাটিছিল। প্ৰত্যক্ষভাৱে ৰাজনীতিৰ সদস্য অথবা হোতা হোৱাতো তেওঁ বিচৰা নাছিল। কিন্তু শেষত ৰাভাৰ ইচ্ছা আৰু RCPI ৰ সদস্যসকলৰ যুক্তিত তেৰোঁ এই প্ৰস্তাৱ মানি ল'লে আৰু মাৰ্ক্সবাদী আদৰ্শেৰে উদ্বেলিত হৈ ৰাভা প্ৰত্যক্ষভাৱে মাৰ্ক্সবাদী হৈ পৰিল।

ইয়াৰ পিছত RCPI ৰ সদস্যৰূপে বিষ্ণু ৰাভাই বকো, ছয়গাঁও, গোৱালপাৰা, ৰাণী, বোন্দা, নাৰেংগী আদি বিভিন্ন ঠাই ঘূৰি ফুৰিবলৈ ধৰিলে। কৃষকৰ উন্নতিৰ বাবে বিভিন্ন সভা-সমিতিৰ আয়োজন কৰা হ'ল। লাহে লাহে বিষ্ণু ৰাভা চৰকাৰৰ ৰোষত পৰিল আৰু পুলিচে তেওঁক বিচাৰি ফুৰিবলৈ ধৰিলে। পুলিচৰ পৰা সাৰি তেওঁ এসময়ত গৈ বৰমাৰ এখন ভিতৰুৱা গাঁৱত লুকাই আছিল। পুলিচে এইবাৰ নিৰুপমা দেৱীক অনুসৰণ কৰিলে। এবাৰ নিৰুপমা দেৱীয়ে তেওঁৰ প্ৰিয়তমক লগ কৰিবলৈ বুলি বৰমাত প্ৰৱেশ কৰাৰ সময়তে বিষ্ণু ৰাভা প্ৰায় পুলিচৰ হাতত ধৰা পৰাৰ উপক্ৰম হৈছিলেই। কিন্তু বুদ্ধিৰ বলত কোনোমতে তেওঁ পলাই সাৰিল। ইয়াতে RCPI ৰ উচ্চ মহলে বিষ্ণু ৰাভা আৰু নিৰুপমা দেৱীৰ মিলামিছা বন্ধ কৰিবলৈ জাননী জাৰী কৰিলে। বিষ্ণু ৰাভাৰ দুই নাঁৱত দুই ভৰি। ইফালে দীঘলীয়া সময়ৰ সংগী নিৰুপমা আনফালে জাতিৰ মুক্তিৰ বাবে নিজৰ দেহ-মন আগ কৰা দলীয় আদৰ্শ। অৱশেষত জাতিপ্ৰেম আৰু মাৰ্ক্সবাদৰেই জয় হ'ল। সিদিনাখনৰ পিছত কাহানিও ৰাভা আৰু নিৰুপমা দেৱীৰ লগালগি নহ'ল। বিষ্ণু ৰাভা মাৰ্ক্সবাদী

আদৰ্শত দীক্ষিত হোৱাৰ আঁৰত নিৰুপমা দেৱীৰ অপাৰ ত্যাগ শলাগিবলগীয়া। এইগৰাকী নাৰী চিৰদিন অবিবাহিত হৈয়ে ৰ'ল।

১৯৪৮ চনত বীৰভূমত বহা সংগঠনটোৰ অধিৱেশনত দেশীয় পুঁজিবাদৰ ওপৰত কঠোৰভাৱে আক্ৰমণ কৰি সেই ব্যৱস্থাক নিঃশেষ কৰিবলৈ বিভিন্ন কাৰ্যসূচী হাতত লয়। স্বাধীন ভাৰতৰ বুকুত সমাজতান্ত্ৰিক জংগী আন্দোলনৰ সূচনা হয়। সমাজত পুঁজিবাদী ব্যৱস্থা শেষ কৰি সাম্যবাদ প্ৰতিষ্ঠা কৰা আৰু সৰ্বহাৰা শ্ৰেণীটোক শোষণৰ পৰা উদ্ধাৰ কৰা। 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি' আৰু 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি' এই দুয়োটাকেই চৰকাৰে বে-আইনী বুলি ঘোষণা কৰে। বিষ্ণু ৰাভাই ১৯৪৫ চনত বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰে। এই দলত যোগদান কৰাৰ মুখ্য উদ্দেশ্য আছিল কৃষক-বনুৱা, সৰ্বহাৰাৰ স্বাৰ্থত পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা কৰা। ৰাভাই ভাৰতৰ স্বাধীনতা আন্দোলনক বৈপ্লৱীক শ্ৰেণী সংগ্ৰামৰ আধাৰত চলাই নিয়াৰ পোষকতা কৰিছিল। ভাৰতত ১৯৪৩ চনত সৌমেন্দ্ৰনাথ ঠাকুৰে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ লগত মনোমালিন্য হৈ 'কমিউনিষ্ট লীগ অৱ ইণ্ডিয়া' প্ৰতিষ্ঠা কৰে। সেয়ে শেষত 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'লৈ ৰূপান্তৰিত হয়। বিপ্লৱী কমিউনিষ্ট দলৰ হিংসাত্মক কাৰ্যকলাপৰ বাবে চৰকাৰে বে-আইনী ঘোষণা কৰে। বে-আইনী ঘোষণা কৰাৰ লগে লগে কৰ্মীসকলৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা বাহিৰ হয় আৰু এই কৰ্মীসকলক বিচাৰি গাঁৱে-ভূঞেঁ চৰকাৰী পক্ষই অভিযান কৰে। বিষ্ণু ৰাভাৰ সহযোগী তৰুণসেন ডেকা, হৰিদাস ডেকা, উপেন্দ্ৰ দাস, অৰবিন্দ ঘোষ, মোহনলাল মুখাৰ্জী, নীৰেণ লাহিড়ী, উপেন্দ্ৰনাথ শৰ্মা আদিক গুৱাহাটীত গ্ৰেপ্তাৰ কৰি যোৰহাট কাৰাগাৰলৈ প্ৰেৰণ কৰে। বিষ্ণু ৰাভাই আত্মগোপন কৰিলে। আত্মগোপনৰ সময়ছোৱাক ৰাভাই নিজেই অজ্ঞাতবাস বুলি কৈছিল। বিষ্ণু ৰাভাই মাৰ্ক্সবাদ, লেনিনবাদৰ তত্ত্বসমূহ গভীৰভাৱে অধ্যয়ন আৰু হৃদয়ংগম কৰে। মাৰ্ক্সীয় বিপ্লৱী তত্ত্বই তেওঁৰ জীৱন দৰ্শন হৈ পৰিল। ৰাভাই যোগদান কৰা 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি' আৰু 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি'ৰ দলীয় মতাদৰ্শগত পাৰ্থক্য আছিল যদিও কমিউনিষ্ট পাৰ্টিৰ মতাদৰ্শ একেটাই আছিল। বে-আইনী ঘোষণা কৰাত ৰাভাই ১৯৪৮ চনৰ মে মাহৰ পৰা ১৯৫২ চনৰ জুলাই মাহলৈকে সুদীৰ্ঘ দিন আত্মগোপন কৰিবলগীয়া হয়। ৰাভাৰ বিপ্লৱৰ তিনিটা প্ৰধান দিশ আছিল—

(ক) বৰ অসমৰ সাংস্কৃতিক পুনৰুত্থান,

(খ) জাতীয় জীৱনৰ ঐতিহ্যৰ সংৰক্ষণ আৰু

(গ) নিষ্পেষিতসকলৰ মুক্তিৰ বাবে সাম্যবাদৰ পথ অৱলম্বন।

(ৰাভা, ভূবিন, অজ্ঞাতবাসৰ বিষ্ণুৰাভা, পৃ. ১)

উক্ত তিনিটা আদৰ্শই বিষ্ণু ৰাভাৰ জীৱনৰ আদৰ্শ আছিল। ৰাভাই নিজেই কৈছে যে, “১৯৪৫ চনৰ পৰা ৰাইজৰ মাজত জপিয়াই পৰি বহু সভা-সমিতিৰ যোগে ৰাইজৰ প্ৰতি মোৰ কৃতজ্ঞতা যাচিছিলোঁ। তেতিয়াৰ পৰাই ভাৰতৰ বিপ্লৱী সাম্যবাদী দলৰ লগত সংশ্লিষ্ট থাকি মাৰ্ক্সীয় দৰ্শন, মাৰ্ক্সীয় অৰ্থনীতি, দ্বন্দ্ববাদৰ লগত পৰিচিত হৈ হিয়াৰ আমঠু, ৰাইজৰ প্ৰাণৰ লগৰী আৰু ৰাইজৰ লগত একেলগে মিলিজুলি ৰাইজক মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ কাৰণে নিজৰ সকলো শক্তি নিয়োগ কৰোঁ।” (বিঃ প্ৰঃ ৰাঃ ৰঃ স, দ্বিতীয় খণ্ড, পৃ. ১৫৯২)। ভাৰত চৰকাৰে কমিউনিষ্ট দলক নিষিদ্ধ ঘোষণা কৰাৰ ফলত ৰাভাই আত্মগোপন কৰি সংগ্ৰাম চলাই যায়। পুলিচ-চোৰাংচোৰাৰ চকুত ধূলি দি ৰাভাই সমগ্ৰ অসম ভ্ৰমণ কৰে। ৰাভাই নিজৰ ৰচনাত সমাজতন্ত্ৰবাদ, সমাজবাদী সমাজ, কমিউনিষ্ট সমাজ, মাৰ্ক্সবাদ, বস্তুবাদৰ সম্পৰ্কে জনগণক কৈছিল যে — “সমাজতন্ত্ৰবাদ হ'লে ৰাইজৰ হাতত চৰকাৰ, কাৰখানা আৰু বিজ্ঞান আহিব। যি ধনীয়ে দুখীয়াক দুখ-কষ্ট দি মাৰে সেই ধনিক ৰাইজে নিজৰ চৰকাৰৰ সহায় লৈ নিজৰ পঞ্চায়ত ৰাইজৰ পৰা নোহোৱা কৰিব। কাৰখানাবোৰক ধনীৰ হাতৰ পৰা কাঢ়ি লৈ কাৰখানাৰ সহায় লৈ ৰাইজে কম সময়ত বেছি মাটিৰ পৰা উৎপাদন কৰিব। তাৰ ফলত সুখেৰে পিন্ধি আনন্দৰে খাই শান্তিৰে থাকিব পাৰে। ভালকৈ মানুহৰ দৰে ভাবিবলৈ সময় আজৰি পাব।” (বিঃ প্ৰঃ ৰাঃ ৰঃ স, দ্বিতীয় খণ্ড, পৃ. ৮৪৬)। বিষ্ণু ৰাভা আৰু সহযোগীসকলে নিজৰ সশস্ত্ৰ সংগ্ৰাম অসমৰ সকলো শ্ৰেণীৰ মাজত প্ৰচাৰ কৰিছিল আৰু এই সংগ্ৰামত সকলোকে ঐক্যবদ্ধভাৱে যুঁজিবলৈ আহ্বান জনাইছিল। ‘ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি’য়ে চলোৱা এই সংগ্ৰামে ভাৰত চৰকাৰক অস্থিৰ কৰি তুলিলে। আন্দোলন ব্যৰ্থ কৰিবলৈ বিষ্ণু ৰাভা আৰু তেওঁৰ সহযোগীসকলক ধৰাই দিব পাৰিলে বহু টকাৰ পুৰস্কাৰ ঘোষণা কৰিলে। বিষ্ণু ৰাভাক ধৰাই দিব পাৰিলে দহ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিলে।

বিষ্ণু ৰাভাৰ সংগ্ৰামৰ উদ্দেশ্য আছিল মানৱ সেৱাৰ জৰিয়তে সৰ্বহাৰা কৃষক-শ্ৰমিক, বনুৱা সকলোকে একগোট কৰি এখন সাম্যবাদী সমাজৰ প্ৰতিষ্ঠা কৰা। বিষ্ণু ৰাভাই অনুভৱ কৰিছিল যে যিমান দিনলৈকে মানুহ শোষক-শোষিতত বিভক্ত হৈ থাকিব সিমান দিনলৈকে সৰ্বহাৰাৰ কল্যাণ

হ'ব নোৱাৰে। সমাজত শোষক শ্ৰেণীৰ ধ্বংস অবিহনে শোষিত শ্ৰেণীৰ মুক্তি অসম্ভৱ। শ্ৰেণী সংগ্ৰাম অবিহনে সমাজৰ পৰিৱৰ্তন হ'ব নোৱাৰে। তেওঁ সোণপাহিত কৈছিল যে— "ধনতন্ত্ৰবাদৰ গৰ্ভৰ পৰা দুটা শ্ৰেণী ওলাইছে, এটা ধনিক, আনটো গৰীব সৰ্বহাৰা, ধনিক শ্ৰেণীয়ে গৰীৱ লোকক দমন কৰিবলৈ বিচাৰে আৰু সৰ্বহাৰা শ্ৰেণীয়ে ধনিক শ্ৰেণীক উচ্ছেদ কৰিবলৈ বিচাৰে। ধনীৰ শতৰু গৰীৱ আৰু সৰ্বহাৰা শ্ৰেণীৰ শতৰু ধনিক শ্ৰেণীক। এইদৰে যুঁজি যুঁজি ধনীও নহয় দুখীয়াও নহয়— এটা বেলেগ সমাজ ওলাই পৰে। সেয়া হৈছে সমাজতন্ত্ৰবাদ। সেয়া হৈছে বিপ্লৱ। ধনতন্ত্ৰবাদৰ পৰা সমাজতন্ত্ৰবাদলৈ বিপ্লৱ। বিপ্লৱ কটা-খোঁচা নহয়। বিপ্লৱ হৈছে নতুনলৈ সলনি।" (ৰাভা, বিষ্ণুপ্ৰসাদ, সোণপাহি, পৃ. ৭৭)। বিষ্ণু ৰাভাই মনে-প্ৰাণে বিশ্বাস কৰিছিল যে যেতিয়ালৈকে পুঁজিপতি ধনিক শ্ৰেণী, শোষক-প্ৰতাৰকসকলৰ হাতত ৰাষ্ট্ৰ ক্ষমতা থাকিব তেতিয়ালৈকে সৰ্বহাৰা, নিপীড়িত, শোষিত অৱহেলিত কৃষক, মজদুৰ-বনুৱাৰ, দুখ-দুৰ্গতি, অভাৱ, অনাদৰ অৱহেলিত হৈ থাকিব। সৰ্বহাৰা শ্ৰেণীটো তেতিয়ালৈকে সাংস্কৃতিকভাৱেও পিছপৰি ৰ'ব। সৰ্বহাৰা শ্ৰেণীৰ যন্ত্ৰণাই ৰাভাক বেদনাক্লিষ্ট কৰি তুলিছিল আৰু ইয়াৰ প্ৰতিকাৰ কৰিবলৈ তেওঁ সংকল্প লৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভাই উপলব্ধি কৰিছিল যে যেতিয়ালৈকে সাধাৰণ শ্ৰেণীটোৰ মানুহৰ মাজত আৰ্থিক সমতা নাহিব, তেতিয়ালৈকে শোষণকাৰ্য নিৰ্বিবাদে চলি থাকিব। সেয়েহে তেওঁ সৰ্বসাধাৰণ শ্ৰেণীৰ মাজত আৰ্থিক সমতা স্থাপনৰ উপৰিও সকলোৰে মাজত সমন্বয় গঢ়ি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব দিছিল। ৰাভাই বিশ্বাস কৰিছিল যে বিভিন্ন জনগোষ্ঠীৰ মাজত সম্প্ৰীতি গঢ়ি নুঠিলে সুবিধাবাদী শোষকসকলে সাধাৰণ শ্ৰেণীৰ মানুহক বঞ্চনা কৰিবলৈ অধিক সুবিধাহে পাব। ভাৰতে ইংৰাজৰ পৰা স্বাধীনতা লাভৰ পৰৱৰ্তী সময়ত উপলব্ধি কৰিছিল যে চৰিত্ৰৰ ফালৰ পৰা বিদেশী ইংৰাজ শাসক আৰু স্বদেশী শোষকৰ মাজত গুণগত কোনা ধৰণৰ পাৰ্থক্য নাই। ইংৰাজে বিভিন্ন ধৰণে সাধাৰণ জনতাক কৰা শোষণ আৰু ভাৰতীয় মহাজন-জমিদাৰ শ্ৰেণীয়ে কৰা শোষণৰ মাজত কোনো প্ৰভেদ নাই। ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাটোত ব্যক্তিগত মুনাফাত অধিক গুৰুত্ব দিয়া দেখা যায়।

বিষ্ণু ৰাভাই সমগ্ৰ জীৱন সৰ্বহাৰা জনগণৰ মুক্তিৰ বাবে সমৰ্পণ কৰিছিল। হেমাংগ বিশ্বাসে ৰাভাৰ সংগ্ৰামৰ বিষয়ে লিখিছিল যে— "এই গণশিল্পী (বিষ্ণুপ্ৰসাদ) ৰ সাৰ্থক আৰু অনিবাৰ্য্য

পৰিণতি আছিল মাৰ্ক্সবাদ-লেনিনবাদত দীক্ষা গ্ৰহণ। ... ৰাভাৰ মাৰ্ক্সবাদ গ্ৰহণ অসমৰ সাম্যবাদী আন্দোলনৰ ক্ষেত্ৰত এক বিৰাট পদচিহ্ন। বিমূৰ্ত্ত মানৱতাবাদ আৰু গণচেতনাৰ পৰা ৰাভা উত্তীৰ্ণ হ'ল আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ পূৰ্ণ মানৱতাবাদলৈ। ... ৰাভাই বুজিছিল, যিমান দিন মানুহ শোষক-শোষিতত বিভক্ত হৈ থাকিব সিমান দিন 'সৰ্বহাৰাৰ কল্যাণ' বুলি একো কথা থাকিব নোৱাৰে। মাৰ্ক্সবাদৰ পৰা তেওঁ শিকিলে শ্ৰেণী বিভক্ত সমাজত শ্ৰেণী সংগ্ৰামেই হ'ব ইতিহাসৰ ৰথ। সেই সমাজত শ্ৰেণী সমন্বয় সম্ভৱ নহয়। শোষকৰ ধ্বংস অবিহনে শোষিতৰ মুক্তি অসম্ভৱ। শোষকক ঘৃণা নকৰাকৈ শোষিতক ভাল পাব নোৱাৰি। ... গণবিপ্লৱৰ জীৱন দৰ্শন বাদ দি যে আজি কোনো শিল্পীয়েই মহান শিল্পী হ'ব নোৱাৰে, এই কথা ৰাভাই বিশ্বাস কৰিছিল। আজি অসমৰ শিল্পী-সাহিত্যিকৰ বিৰাট অংশয়েই চৰকাৰৰ অনুগ্ৰহপ্ৰাৰ্থী— যি চৰকাৰে জনসাধাৰণৰ জীৱনলৈ আনিছে সৰ্বতোমুখী সৰ্বনাশ। (বৰা, দেবেন্দ্ৰনাথ, বিষ্ণু ৰাভাৰ সংগ্ৰামী আভা, পৃ. ৯২)।

বিষ্ণু ৰাভাই ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰতীয় জাতীয় কংগ্ৰেছৰ আদৰ্শ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত সৌমেন্দ্ৰনাথ ঠাকুৰৰ কমিউনিষ্ট লীগৰ আদৰ্শত গঢ়ি উঠা 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত' যোগদান কৰে। সৌমেন্দ্ৰনাথ ঠাকুৰৰ নেতৃত্বত গুৱাহাটীৰ পাণবজাৰত 'ৰেডিকেল ইনষ্টিটিউট' গঠন কৰি যুৱ ছাত্ৰক মাৰ্ক্সীয় দৰ্শনৰ আভাস দিছিল আৰু ১৯৩৯ চনত সুধাময় দাসগুপ্তই 'কমিউনিষ্ট লীগ'ৰ অসম শাখা গঠন কৰে। বিষ্ণু ৰাভাই এই দলত যোগদান নকৰিলেও লীগৰ কৃষক-বনুৱা পঞ্চায়তৰ লগত জড়িত হৈ কামৰূপ-গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত 'নাঙল যাৰ মাটি তাৰ' ধ্বনিৰে আধিয়াৰসকলৰ বাবে আন্দোলনত অংশগ্ৰহণ কৰিছিল। ১৯৪৩ চনত এই কমিউনিষ্ট লীগেই 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি' ৰূপে আত্মপ্ৰকাশ কৰে আৰু ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰে। বিষ্ণু ৰাভাই 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত' যোগদান কৰি প্ৰত্যক্ষভাৱে ৰাজনীতিত ভৰি দিয়ে। ৰাভাই ভাৰতৰ ৰাজনীতিত যোগ দিয়াৰ কাৰণ ব্যাখ্যা কৰিছে হেম বৰুৱাই। হেম বৰুৱাই তেওঁৰ 'বিষ্ণু ৰাভা ঃ এটি সোঁৱৰণ' নামৰ প্ৰবন্ধত লিখিছিল যে— "ৰাভাই ৰাজনীতিত যোগ দিছিল কিয়? শাসনৰ নামত জনসমাজৰ ওপৰত অনুষ্ঠিত অন্যায়-অবিচাৰ আদিয়ে শিল্পীগৰাকীৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিছিল। জনসমাজৰ দাৰিদ্ৰ্যই মানুহজনক ম্ৰিয়মান কৰিছিল। সত্য আৰু ন্যায়ৰ অৰ্থে জনসমাজৰ কাৰণে যুঁজাৰ মানসেৰে ৰাভাই ৰাজনীতিৰ আশ্ৰয়

গ্ৰহণ কৰিছিল। (শৰ্মা, দিলীপ কুমাৰ, সৈনিক শিল্পী বিষ্ণু ৰাভাঃ কৃতি আৰু কৃতিত্ব, পৃ. ১৩০)। ৰাভাই 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ' হৈ অসমৰ বিভিন্ন ঠাইত কৃষক সংগঠনৰ কামত ঘূৰি ফুৰাৰ লগতে বিভিন্ন ঠাইৰ ডেকাসকলকো সশস্ত্ৰ সংগ্ৰামত যোগদানৰ বাবে উদ্বুদ্ধ কৰিছিল। ভাৰত চৰকাৰে বে-আইনী ঘোষণা কৰাত বিপ্লৱী কমিউনিষ্টৰ বহু নেতা-কৰ্মীৰ দৰে বিষ্ণু ৰাভাই আত্মগোপন কৰি সাংগঠনিক কাম চলায় লৈ যায়। বিপ্লৱী কমিউনিষ্টৰ সদস্য ৰাভাই হাতত ষ্টেনগান লৈ সংগ্ৰাম চলাই গৈছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ মূল কাৰ্যসূচী আছিল সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰতিষ্ঠা কৰা, তদানীন্তন কংগ্ৰেছ চৰকাৰৰ পৰা ক্ষমতা দখল কৰি সাম্যবাদ প্ৰতিষ্ঠা কৰা। অজ্ঞাতবাসৰ সময়তে ৰাভাই পত্নী কনকলতাসহ গ্ৰেপ্তাৰ হয়। জেলৰ পৰা মুক্তি লাভ কৰি ৰাভাই 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি' ত্যাগ কৰি ১৯৫৫ চন 'ভাৰতৰ কমিউনিষ্ট পাৰ্টিত' যোগদান কৰিলে। 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি' ত্যাগ কৰাৰ ক্ষেত্ৰত ৰাভাই নিজৰ ভাৱ প্ৰকাশ কৰিছিল যে— "সংগ্ৰাম আমি কৰিছিলোঁ মাত্ৰ। কিন্তু সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন আনিব নোৱাৰিলো। আমাৰ সংগ্ৰাম পিছে শেষ হোৱা নাই। আমি পৰাজিতো হোৱা নাই।" (শৰ্মা, সৈনিক শিল্পী বিষ্ণু ৰাভা ঃ কৃতি আৰু কৃতিত্ব, পৃ. ১৩৩)। ৰাভাই সংসদীয় ৰাজনীতিৰ পথাৰতো ভৰি দিছিল। ৰাভাই ১৯৫৭ চনত কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা 'ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ' হৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও শোচনীয়ভাৱে পৰাজিত হয়। পৰৱৰ্তী সময়ত ১৯৬৭ চনত তেজপুৰ বিধানসভা সমষ্টিৰ নিৰ্দলীয়ৰূপে প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হয়। ৰাভাই বিধানসভাৰ মজিয়াতো সৰ্বহাৰা শ্ৰেণীটোৰ কথা উত্থাপন কৰিছিল। ৰাভাই বিধানসভাৰ মজিয়াত নিজৰ ভাষণত কৈছিল— "যি জনতাই আমাক প্ৰতিনিধিত্ব কৰি পঠাইছে তেওঁলোকৰ চকুপানী আমি বুকুত লৈ আহিছোঁ। সেয়া যেন ৰাইজ প্ৰজ্বলিত অগ্নি আৰু সেই অগ্নিৰ পৰাই একুৰা জুই আমি বুকুত লৈ আহিছো। গতিকে এই পবিত্ৰ সদনত যিবোৰ আলোচনা-বিলোচনা হ'ব সেইবিলাকৰ যদি দুৰ্বিচাৰ হয় তেতিয়াহ'লে জনতাই চকুলো টুকিব আৰু তেওঁলোকৰ অন্তৰৰ জুই নিৰ্বাপিত নহ'ব।" (ডেকা, নীলমণি সেন, বিধানসভাৰ মজিয়াত বিষ্ণুপ্ৰসাদ ৰাভা আৰু ড° ভূপেন হাজৰিকা, পৃ. ৩৩)। ৰাভাই বিধায়ক হৈ থকাৰ সময়তে দুৰাৰোগ্য কৰ্কট বেমাৰত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰে। বিষ্ণু ৰাভা সমাজ বিপ্লৱী আছিল যদিও কোনো ক্ষেত্ৰতেই আঁকোৰগোজ নাছিল। ৰাভাৰ আন্দোলনৰ মূল উদ্দেশ্যই আছিল সৰ্বহাৰা কৃষক-মজদুৰ শ্ৰেণীক অৰ্থনৈতিক স্বাধীনতা প্ৰদান কৰা। পুঁজিবাদী শ্ৰেণীটোৱে

কৰা শোষণ-প্ৰবঞ্চনাৰ পৰা সৰ্বহাৰা শ্ৰেণীটোক মুক্তি দিয়াই আছিল ৰাভাৰ একমাত্ৰ উদ্দেশ্য। সৰ্বহাৰা শ্ৰেণীটোক অৰ্থনৈতিকভাৱে সবল কৰি তুলিবলৈ বিপ্লৱী পন্থা লৈছিল। সমাজতান্ত্ৰিক সমাজবাদৰ প্ৰতিষ্ঠা কৰি ৰাভাই এখন ভেদাভেদহীন শোষণমুক্ত সাম্যসমাজ গঢ়াৰ বাবে জীৱনৰ শেষ সময়লৈকে সৰ্বতোভাৱে যুঁজ দিছিল।

## প্ৰসংগটোকা

ডেকা, নীলমণিসেন। *বিধানসভাৰ মজিয়াত বিষ্ণুপ্ৰসাদ ৰাভা আৰু ড° ভূপেন হাজৰিকা*। পৃ. ৩৩।

দাস, যোগেশ (সম্পা.)। *বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ*। দ্বিতীয় খণ্ড। পৃ. ৯।

বৰা, দেবেন্দ্ৰনাথ। *বিষ্ণু ৰাভাৰ সংগ্ৰামী আভা*। পৃ. ৯২।

ৰাভা, ভূবিন। *অজ্ঞাতবাসত বিষ্ণু ৰাভা*। পৃ. ১-৩।

শৰ্মা, দিলীপ কুমাৰ; শৰ্মা, সিদ্ধিনাথ আৰু কলিতা, কল্যাণ (সম্পা.)। *সৈনিক শিল্পী বিষ্ণু ৰাভা ঃ কৃতি আৰু কৃতিত্ব*। পৃ. ১০৩-১৩৩।